(জ) ‘ঘঁহি থাকিলে শিলো ক্ষয় যায়’ যোজনা ফাঁকিৰ তাৎপৰ্য বিচাৰ কৰা।

(ঝ) বাৰসাহী গীতৰ বিষয়ে এটি চমু টোকা লিখা।

(ঞ) লোকসাহিত্যৰ বৈশিষ্টসমূহ আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া *(যিকোনো দুটা)*ঃ 10×2=20

(ক) ফকৰা-যোজনা, প্ৰৱচন সম্পৰ্কে এটি টোকা লিখা।

(খ) সাধকথাৰ ভাগ সমূহৰ বিষয়ে বহলাই লিখা।

(গ) বিহু গীতৰ বিষয় বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) অনুষ্ঠানমূলক লোকগীতৰ বিষয়ে বহলাই লিখা।

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 14

(ক) লোকসাহিত্য কাক বোলে? অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত আখ্যানমূলক গীত সমূহৰ বিষয়ে বহলাই লিখা।

(খ) লোকনাট্যানুষ্ঠান বুলিলে কি বুজা? অসমীয়া লোকনাট্যানুষ্ঠান সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(গ) বিহু গীতত অসমীয়া সমাজ জীৱনৰ প্ৰতিচ্ছবি কি দৰে প্ৰকাশ পাইছে আলোচনা কৰা।

----



Total number of printed pages = 4

**63/1(SEM-5) GE1/ASMRG5016**

**2024**

# ASSAMESE

Paper : ASMRG5016

## *(Introduction to Assamese Folk Literature)*

*Full Marks : 80*

*Pass Marks : 32*

Time : 3 hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* 1×6=6

(ক) ‘অখ্যাত কবিৰ বিখ্যাত ৰচনা’ বলি কোৱা হয় –

*(i)* বুৰঞ্জী সাহিত্যক *(ii)* ব্যৱহাৰিক সাহিত্যক

*(iii)* পাঁচালী সাহিত্যক *(iv)* লোক সাহিত্যক

(খ) টেটকুটি কি?

*(i)* এবিধ হাস্য ব্যংগ প্ৰধান সাধুকথা

*(ii)*এবিধ হাস্য ব্যংগ প্ৰধান লোকগীত

*(iii)* এবিধ হাস্য প্ৰধান গীতি নৃত্য নাটিকা

*(iv)* কোনোটোৱেই নহয়

(গ) লোকগীতক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰা হৈছে?

(i) দুটা (ii) তিনিটা

(iii) চাৰিটা (iv) পাঁচটা

(ঘ) 'নিচুকনি গীত'ৰ অন্য এটা নাম হ'ল?

(i) আইনাম (ii) নাঙেলী গীত

(iii) ধাই নাম (iv) ওপৰৰ এটাও নহয়

(ঙ) 'বায়খো' কোন জনগোষ্ঠীৰ উৎসব?

(i) বড়ো (ii) মিচিং

(iii) কাৰ্বি (iv) ৰাভা

(চ) 'কমলা কুৱৰী'ৰ গীত কোনটো শ্ৰেণীৰ অন্তৰ্গত?

(i) বুৰঞ্জীমূলক (ii) জনশ্ৰুতিমূলক

(iii) কাল্পনিক (iv) বিবিধ বিষয়ক

(ছ) নামনি অসমত 'যোৰা নামক' বোলা হয় –

(i) বিয়া নাম (ii) খিচা গীত

(iii) নামতী গীত (iv) দৰা আদৰা গীত

(জ) "আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন" এই ফাঁকি –

(i) ফকৰা যোজনা (ii) প্ৰবাদ প্ৰবচন

(iii) সাধু কথা (iv) ডাকৰ বচন

(ঝ) বিহু গীত সমূহ ৰচিত –

(i) ঝুনা ছন্দত (ii) পয়াৰ ছন্দত

(iii) ঝুমুৰী ছন্দত (iv) ত্ৰিপদী ছন্দত



(ঞ) লোক পৰিবেশ্য কলাৰ এটি ভাগ হ'ল –

(i) লোক কাহিনী (ii) লোকনাট্য

(iii) লোক শিল্প (iv) লোক ভাষা

২। চমুকৈ উত্তৰ দিয়া *(যিকোনো পাঁচটা)* ঃ 2×5=10

(ক) অনুষ্ঠানমূলক লোক গীত কাক বোলে?

(খ) লোক সাহিত্য দুটা বৈশিষ্ট্য লিখা।

(গ) বিহু গীতৰ ভাগ কেইটা আৰু কি কি?

(ঘ) দুবিধ জনশ্ৰুতিমূলক গীতৰ নাম লিখা।

(ঙ) গোৱালপাৰা অঞ্চলত প্ৰচলিত দুবিধ লোকনাট্যৰ নাম লিখা।

(চ) ওজাপালিৰ ভাগ কেইটা আৰু কি কি?

(ছ) অংকীয়া নাটকত প্ৰভাৱ পৰা যিকোনো দুটা থলুৱা নাট্যানুষ্ঠানৰ নাম লিখা।

৩। তলৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়া *(যিকোনো চাৰিটা)* ঃ 5×6=30

(ক) 'মহহো গীত' সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(খ) লোকগীতৰ বৈশিষ্ট্য সমূহ লিখা।

(গ) 'ওজাপালি' সম্পৰ্কত এটি চমু টোকা লিখা।

(ঘ) 'সাঁথৰৰ' ভাগ কেইটাৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(ঙ) প্ৰবাদ প্ৰবচনৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(চ) 'জুনা গীত' সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) অসমৰ প্ৰাচীন লোকনাট্যানুষ্ঠান 'খুলীয়া ভাওৰীয়া' সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰা।